আজি বিস্মৃতপ্ৰায়। এইসকল শিল্পী অভিনেতাক আজি সুঁৱৰিবৰ হৈছে।

**ৰবীন্দ্ৰ নাথ শৰ্মা,**
ডি বি ৰ'ড, ক'লিবাৰী,
তেজপুৰ-৭৮৪০০১, ফোন ঃ ৯৪৩৫৭৩৭৭১৩

## অনাঅসমীয়া আৰু অসমীয়া ভাষা

ভাৰতৰ দৰে বহুভাষিক ৰাষ্ট্ৰ এখনত যোগাযোগৰ মাধ্যম হিচাপে হিন্দী ভাষাৰ স্থান গুৰুত্বপূৰ্ণ আৰু সেই ভাষাৰ অৱদান অতুলনীয়। হিন্দীৰ লগতে আন আন ভাৰতীয় চহকী ভাষাসমূহৰ মাজত অসমীয়া ভাষাৰ স্থানো কোনো গুণে কম নহয়; বৰঞ্চ স্বকীয় ইতিহাস আৰু বৈশিষ্ট্যৰ অসমীয়া ভাষাই আন বহু ভাষাৰ লগত সহাৱস্থান কৰি দেশৰ ভাষিক বৈচিত্ৰ্যত অনন্য মাত্ৰা প্ৰদান কৰিছে। প্ৰতিজন অসমীয়াই তাকে লৈ গৌৰৱ কৰাৰ থল আছে। অনাঅসমীয়া দেশী-বিদেশী অনেকেই আগ্ৰহেৰে অসমীয়া ভাষাৰ কথন-পঠন-লেখনৰ চৰ্চা কৰি অসমীয়া সংস্কৃতি আঁকোৱালি লোৱাটো বৰ আদৰণীয় আৰু সমগ্ৰ জাতিটোৰ বাবেই গৌৰৱৰ বিষয়। এনে স্থলত আমাৰ মাজৰে এচামে নগৰ, মহানগৰৰ হাট-বজাৰ অঞ্চললৈ গৈ, অতি আগ্ৰহেৰে অসমীয়া ভাষা শিকি থৈ তাৰ প্ৰয়োগৰ বাবে সুযোগ চাই থকা অনাঅসমীয়া ব্যৱসায়ীৰ আন্তৰিক আগ্ৰহকণক উপেক্ষা কৰি নিজে উপযাচি হিন্দীতে কথোপকথন আৰম্ভ কৰা শুনিলে মনটো দুখেৰে ভৰি পৰে। উপযাচি অসমীয়া ভাষা-সংস্কৃতিৰ প্ৰতি আকৰ্ষিত হৈ সেয়া চৰ্চা কৰিব খোজা লোকক আমি বাৰু কিয় নিৰাশ কৰোঁ? অসমৰ বিভিন্ন ঠাইৰ লগতে গুৱাহাটীৰ ফাঁচিবজাৰ, পল্টনবজাৰ, গণেশগুৰি আদি অঞ্চলত এনে উদাহৰণ মন কৰিলে বহুত ওলাব।

**ড° দীপ কুমাৰ ভট্টাচাৰ্য,**
কৈলাসপুৰ, পশ্চিম জালুকবাৰী,
গুৱাহাটী-৭৮১০১৪, ফোন ঃ ৯৪৩৫৬৩৯১২৯

## ব্যতিক্ৰমী আৰক্ষী বিষয়াজন

এগৰাকী দক্ষ, মৰমিয়াল, ব্যতিক্ৰমী আৰক্ষী বিষয়াৰ কথাকে ক'ব খুজিছোঁ। তেখেত অলপতে ধুবুৰী জিলাৰ আৰক্ষী অধীক্ষক পদৰ পৰা নগাঁও জিলাৰ আৰক্ষী অধীক্ষক পদলৈ বদলি হৈ অহা সুদক্ষ আৰক্ষী বিষয়া আনন্দ মিশ্ৰ। ব্যতিক্ৰমী মনৰ এইগৰাকী আৰক্ষী বিষয়া। সাধাৰণতে পুলিছ মানেই এশ এবুৰি বদনাম। এচামে বিশেষ দৃষ্টিৰে চায় এইসকল লোকক। ইয়াৰ মাজতো যে সৎ, নিষ্ঠাৱান, সুদক্ষ পুলিছ বিষয়া আছে তাৰ প্ৰমাণ আনন্দ মিশ্ৰই। ধুবুৰীৰ পৰা বিদায় পৰত ধুবুৰীবাসীৰ অশেষ মৰম আৰু আশীৰ্বাদ লৈ নগাঁৱত ভৰি দিলে এইজন দক্ষ বিষয়াই। আনকি বিষয়াজনৰ বিভাগীয় আবাসৰ সন্মুখতো হাতে হাতে প্লেকাৰ্ড লৈ তেখেতৰ বদলিকৰণৰ বিৰুদ্ধেও মাত মতা কাৰ্যই সকলোৰে চকু কপালত তুলিছে। তেখেতে কেৱল কৈ গ'ল—আমাৰ চাকৰি এনেকুৱাই। আজি ইয়াত কাইলৈ তাত। অকল ময়ে নহয় মোৰ নিচিনা পুলিছ বিষয়া আপোনালোকে আকৌ পাব। কেৱল আপোনালোকে সহায়-সহযোগিতা কৰি গ'লেই হ'ল। আনৰ পৰা প্ৰশংসা বুটলিবলৈ সক্ষম হ'লেহে জীৱনত কিবা এটা পোৱা যেন লাগে।

**মানস শৰ্মা,**
আকাশী নগৰ, বামুণীমৈদাম, গুৱাহাটী-৭৮১০২১,
ফোন ঃ ৭০০২৯৪৭২২৫

## পৰিৱেশ সুৰক্ষাৰ বাবে পাঁচ জুন দিনটোৱেই যথেষ্ট নেকি?

জনগণক পৰিৱেশৰ প্ৰতি থকা দায়িত্ববোধ সোঁৱৰাই দিবলৈ প্ৰতি বছৰে ৫ জুনত বিশ্ব পৰিৱেশ দিৱস পালন কৰি অহা হৈছে। এই দিনটোতেই দায়িত্বশীল হৈ পৰে সমগ্ৰ মানৱ জাতি। গছপুলি ৰোপণ আৰু সজাগতা সভাকে আদি কৰি বিভিন্ন অনুষ্ঠান আয়োজনেৰে আৰম্ভ হয় পৰিৱেশ সুৰক্ষা অভিযান। কিন্তু ইমানবোৰ দায়িত্বশীল মানুহ আৰু আয়োজনৰ পাছতো কাৰ্বন নিৰ্গমনৰ ভয়াৱহতা কমা নাই। কিয় এনে হৈছে সেই কথা বিশ্লেষণ কৰাৰ সময় আহি পৰিছে। কেৱল একপক্ষীয় বিশ্লেষণৰ দ্বাৰা ইয়াক সমাধা কৰা অসম্ভৱ। পৰিৱেশ সুৰক্ষাৰ প্ৰতি আমি নৈতিকভাৱে প্ৰকৃতিৰ প্ৰতি দায়বদ্ধ হোৱা উচিত। পৰিৱেশৰ প্ৰত্যেক উপাদানৰে জীৱনৰ ওপৰত, মানুহৰ ওপৰত প্ৰত্যক্ষ প্ৰভাৱ আছে। গতিকে মানুহ এই উপাদানসমূহৰ প্ৰতি দায়িত্বশীল নহ'লে মানুহৰ ভৱিষ্যৎ অন্ধকাৰ হৈ পৰিব। বিভিন্ন সময়ত মানুহে ন্যস্ত স্বাৰ্থ সিদ্ধিৰ বাবে প্ৰকৃতিৰ ওপৰত অত্যাচাৰ চলাই আহিছে। এই অত্যাচাৰৰ পৰা মুক্ত হ'বলৈ, প্ৰকৃতিক সুৰক্ষিত কৰি ৰাখিবলৈ পাঁচ জুনৰ দিনটোৱেই যথেষ্ট নহয়।

পৰিৱেশৰ প্ৰতি শিপা বা মূলস্তৰৰ পৰা সমগ্ৰ শ্ৰেণীৰ জনগণ আৰু নৈতিকভাৱে দায়িত্বশীল হ'লেহে এই ধুনীয়া পৃথিৱীখন বৰ্তি থাকিব।

**মানস প্ৰতিম দত্ত,**
বৰপাক জীয়ামাৰীয়া গাঁও, মাছখোৱা, ধেমাজি-৭৮৭০৫৮, ফোন ঃ ৮৬৩৮৭০৮০৭৮

## সোঁৱৰণী গ্ৰন্থ

অঞ্চল বিশেষে কিছুমান ব্যক্তিৰ স্মৃতিত সোঁৱৰণী গ্ৰন্থ প্ৰকাশ কৰা হয়। এনে ব্যক্তিৰ চিনাকি একোটা সৰু অঞ্চলতে সীমাবদ্ধ হ'লেও ব্যক্তিগৰাকীৰ কৰ্মৰাজিয়ে কিছু সংখ্যক মানুহৰ অন্তৰত সাঁচ বহুৱায়। বৃহত্তৰ সমাজৰ কাৰণে তেওঁলোকৰ অৱদান জুখিবলৈ গ'লে তেনেই নগণ্য। ক্ষুদ্ৰ পৰিসৰত জীৱনৰ মহত্তম সময়খিনিত নেৰা-নেপেৰাকৈ সেৱা আগবঢ়াই যোৱা লোকসকলৰ স্মৃতি মৃত্যুৰ কেইবছৰমানৰ ভিতৰতে নোহোৱা হয়। তেনেকুৱা প্ৰয়াত ব্যক্তিৰ জীৱনৰ ঘটনা-প্ৰবাহ সজীৱ কৰি ৰাখিবলৈ এখন সোঁৱৰণী গ্ৰন্থ প্ৰকাশ কৰে। বেছিভাগ ক্ষেত্ৰতে পৰিয়াল বৰ্গই গ্ৰন্থ প্ৰকাশৰ সিংহভাগ দায়িত্ব সম্পাদন কৰে।

এই সোঁৱৰণী গ্ৰন্থবোৰৰ লেখকসকলৰ দুই-এজনৰ বাহিৰে বেছি ভাগৰে ছপা আকাৰত লেখাৰ কোনো অভিজ্ঞতা নাথাকে। এই গ্ৰন্থত সন্নিৱিষ্ট কিছুমান প্ৰবন্ধ হয়তো সেই লেখকসকলৰ প্ৰথম ছপা আকাৰত প্ৰকাশিত লেখা। গ্ৰন্থখনত কিছু আসোঁৱাহ থাকিলেও প্ৰয়াত ব্যক্তিগৰাকীৰ স্মৃতি বিজড়িত ঘটনাৰাজিৰ লগতে অঞ্চলটোৰ সম্বন্ধ, মানুহজনৰ লগত অঞ্চলটোৰ অন্য মানুহৰ সংযোগ আৰু ঘটনাৰাজিৰ তথ্য লিপিবদ্ধ হয়। গ্ৰন্থখন ভৱিষ্যতলৈ অঞ্চলটোৰ এটা ক্ষুদ্ৰ ইতিহাসত পৰিণত হ'ব পাৰে। সেয়ে দেখাত সাধাৰণ হ'লেও সোঁৱৰণী গ্ৰন্থবোৰৰ বিশেষ গুৰুত্ব আছে। পৰিয়ালৰ বাবে সম্ভৱ হ'লে ক্ষুদ্ৰ পৰিসৰত হ'লেও সমাজত অৱদান থকা ব্যক্তিৰ স্মৃতি ৰক্ষাৰ্থে সোঁৱৰণী গ্ৰন্থ প্ৰকাশ কৰা প্ৰয়োজন। পৰিয়ালবৰ্গই পাৰ্যমানে ব্যক্তিগৰাকীৰ স্মৃতি বিজড়িত ঘটনাবোৰ আৰু মানুহজনৰ লগতে অঞ্চলটোৰ শুদ্ধ আৰু নিৰপেক্ষ তথ্য সন্নিৱিষ্ট কৰিবলৈ চেষ্টা কৰিব লাগে।

সোঁৱৰণী গ্ৰন্থখনে প্ৰয়াত ব্যক্তিগৰাকীৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন কৰাৰ লগতে অঞ্চলটোক মহীয়ান কৰি তোলে। সোঁৱৰণী গ্ৰন্থবোৰ একত্ৰে সংৰক্ষণ কৰাৰ প্ৰয়োজন আছে। জিলা এখনত প্ৰকাশ হোৱা সোঁৱৰণী গ্ৰন্থবোৰ জিলা পুথিভঁৰালত সংৰক্ষিত কৰি ৰাখিলে ভৱিষ্যৎ প্ৰজন্ম আৰু জ্ঞান-পিপাসুসকল উপকৃত হ'ব।

**অঞ্জন ভট্টাচাৰ্য,**
বৰমুৰিকোনা, (গো-পূজা), বৰবৰী-৭৮১৩৫১,
নলবাৰী, ফোন ঃ ৯৬৭৮২৪৬৫৯২

### সম্পাদকৰ কোঠালিত

বন্ধু ঃ যিকোনো ধাতু জিলিকিলেই সোণ বুলি জ্ঞান কৰা নাযায়। সোণো অধিক উজলে জুয়ে পোৱাৰ পাছতহে। এজন দক্ষ ৰাজনৈতিক নেতাক শুভাকাংক্ষীৰ জুইৰ দৰে তপত যুক্তিযুক্ত সমালোচনাই অধিক পাৰদৰ্শী আৰু সফল কৰি তুলিব পাৰে।